# বনৰক্ষীৰ আচৰণ বিধি

পেছাদাৰিত্বৰ, সহযোগিতা আৰু নেতৃত্বৰ দ্বাৰা কাৰ্যকৰী আৰু সংৰক্ষণৰ বাবে বনৰক্ষীৰ নতুন আচৰণবিধি

**সংস্কৰণ 1.0**












অসমীয়ালৈ অনুবাদ: বিজয়িনী শৰ্মা

## উদ্দেশ্য

বনৰক্ষীৰ কাৰ্যত ব্যৱহাৰ্য মাৰ্গদৰ্শন আৰু ইয়াৰ কৰ্মচাৰীবৃন্দক্ বিশেষভাবে গঢ়ি তুলিবলৈ এক কঠোৰ নীতিৰ আৰু উচ্চ মানৰ নীতিশাস্ত্ৰৰ বাবে বনৰক্ষীক এক আচৰণবিধিৰ প্ৰয়োজন । এই বিধিখনে বনৰক্ষীক তেওঁলোকৰ মূল্য আৰু আচৰণবিধিত এক সাধাৰণ সংজ্ঞা আৰু কৰ্মৰ আৰ্হি প্ৰদান কৰিব । উল্লিখিত বিশ্ব বনৰক্ষী সভাত ২০১৯ চনৰ চিতৱন (নেপাল) ঘোষনাপত্ৰত [World Ranger Congress, 2019 Chitwan (Nepal) Declaration] স্পষ্ট ভাৱে আহ্বান কৰা হৈছিল ।

## ব্যৱহাৰ

এইখন আচৰণবিধি আৰু বনৰক্ষীৰ আদৰ্শবোৰ একোটা জৰুৰী নথিপত্ৰ যিয়ে বনৰক্ষীক অনুপ্ৰেৰনা যোগোৱা তথা আদৰ্শ আৰু আচৰণবিধিক লৈ প্ৰতিশ্ৰুতিবদ্ধ কৰাত সমৰ্থন কৰাতোৱে হ'ল ইয়াৰ লক্ষ ।
এই আচৰণবিধিৰ উদ্দেশ্য হ'ল বনকৰ্মীৰ দল আৰু বিভাগত আচৰণবিধি আৰু আদৰ্শবোৰ গৃহীত বা সম্পাদন কৰি স্থানীয় পৰিপ্ৰেক্ষিত নথিপত্ৰ বোৰ অভিযোজিত কৰি তোলা । এই আৰ্হি খিনি পথপ্ৰদৰ্শক সম্পদ যিয়ে নিজ বিকাশ কৰিব খোজা দলক তেওঁলোকৰ মূল নীতি প্ৰস্তুত কৰে| উল্লিখিত প্ৰৱৰ্তিত সংজ্ঞা বা সংকেত নহয় কিন্তু এয়া এক শক্তিশালী অনুপ্ৰেৰনা যাক সৎ অভ্যাসৰ নিৰ্দেশক হিচাপে অনুসৰন কৰিব পাৰি আৰু যিয়ে বনকৰ্মচাৰীবৃন্দৰ ফলপ্ৰসু আৰু বৃত্তিধাৰীক সবল কৰিব ।

## আচৰণবিধিৰ বিকাশ

এই নথিপত্ৰ খন বনৰক্ষী, বন সংস্থা, বনৰক্ষীৰ নিয়োগকৰ্তা, ৰাষ্ট্ৰীয় আৰু আঞ্চলিক শাসকবৰ্গ, মানৱাধিকাৰ সংস্থা বা বিভিন্ন প্ৰাসংগিক অংশীদাৰক লৈ কৰা বিশ্বব্যাপী, পুনৰাবৃত্তি পৰামৰ্শ প্ৰক্ৰিয়াৰ পৰিবৰ্তে ২০২০ চনত ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচন'ৰ দ্বাৰা বিকাশ কৰা হৈছিল। ইয়াৰ প্ৰথম পৰ্য্যায়ৰ আলোচনাচক্ৰৰ ফলস্বৰূপে ৫১ দেশৰ পৰা ৬৬৩ মানুহৰ প্ৰতিনিধিত্বত ১৭৭ প্ৰত্যুত্তৰ লাভ কৰা হৈছিল যতনেকি দ্বিতীয় পৰ্যায়ৰ আলোচনাচক্ৰত ৪১ দেশৰ পৰা ১১৫৭ মানুহৰ প্ৰতিনিধিত্বত ৬২০ প্ৰত্যুত্তৰ নথিভুক্ত হৈছিল। সকলো মন্তব্য আৰু প্ৰতিক্ৰিয়া বোৰ সংকলন, অনুবাদ, পৰ্যালোচনাৰ লগতে সংশ্লিষ্ট ক্ৰিয়াকলাপ খিনি সম্বোধন কৰি লেখকে ভৱিষ্যতৰ কাৰণে লিপিবদ্ধ কৰিছে। তাৰোপৰি উন্নয়ন প্ৰক্ৰিয়াক লৈ এক সবিশেষ বিৱৰণ পৃথকভাবে প্ৰস্তুত কৰি তোলা হৈছে। উল্লিখিত সংজ্ঞা আৰু সংকেত বোৰ ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচন'ৰ দ্বাৰা উপস্থাপিত কৰা আৰ্হি বোৰ সহজে উপলব্ধ। এই আৰ্হি বোৰ নিয়মনুসাৰে পৰ্যালোচনা কৰা হ'ব। কাৰোবাৰ কোনোধৰনৰ মন্তব্য বা প্ৰস্তাবিত শুধৰণি থাকিলে তেওঁলোকে **president@internationalrangers.org** ইমেইলত যোগাযোগ কৰিব পাৰে।

**গবেষণা, খচৰা, পৰামৰ্শ আৰু সম্পাদনাত প্ৰযুক্তিগত সমৰ্থন জনালে:**

ক্ৰিচ গৰ্ডন / কনজাৰ্ভেচন এল্ফা
ক্ৰিচ গেলিয়াৰ্চ, ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচন
ৰোহিত সিংহ, ৱোৰ্ল্ড ৱাইড ফান্দ ফৰ নেচাৰ
মাইক এপল্টন, আই ও চি এন ৱৰ্ল্ড কমিচন অন প্ৰতেক্তেড এৰিয়াজ আৰু গ্লোবেল ৱাইল্ডলাইফ কনজাৰ্ভেচন
ৰুবেন দে ক'ক, ইন্দিপেন্ডেন্ত ৰেঞ্জাৰ ত্ৰেইনাৰ

**আঞ্চলিক তথ্য সংগ্ৰহত সহযোগ কৰিছে:**

আনা জুলিয়া গোমেজ (আৰ্জেন্টিনা / দক্ষিণ আমেৰিকা)
ৰেনাটা কাও (মেক্সিকো/ দক্ষিণ আমেৰিকা)
লিওনেল পেৰেইৰা (ক'ষ্টাৰিকা / দক্ষিণ আমেৰিকা)
ৱেৰ্হনাৰ মন্টায়া (পেৰু / দক্ষিণ আমেৰিকা),
ক্ৰেইগ হে (দক্ষিণ আফ্ৰিকা / আফ্ৰিকা)
দ্ৰিও মৃকৱে (কেনিয়া / আফ্ৰিকা)
এলেইন ওনোনিমো (কেমৰুণ / আফ্ৰিকা)
এমন কৌতৌৱা (আইভৰী ক'ষ্ট / আফ্ৰিকা)
দিৱাকৰ কেপাগেইন (নেপাল / এচিয়া)
জয়দ্বীপ বসু (ভাৰত / এচিয়া)
ক্ৰীচপিয়ান বাৰ্ল' (লাউচ / এচিয়া)

**উদ্ধৃতি**:. ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচন (2021). বনৰক্ষীৰ আচৰণ বিধি. সংস্কৰণ ১.0. ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচন, ভিক্টোৰীয়া, অস্ট্ৰেলিয়া

# সুচীপত্ৰ


অগ্ৰণী ........ 4

সংযুক্ত ৰাষ্ট্ৰ মানৱাধিকাৰ উচ্চায়ুক্ত কাৰ্যালয়ৰ বাৰ্তা ........ 5

বনৰক্ষীৰ সংজ্ঞা ........ 6

বনৰক্ষীৰ আদৰ্শ ........ 8

আচৰণ বিধি ........ 9

পৰিশিষ্ট: পৰিভাষা ........ 11




ব্ৰাজিলত বনৰক্ষীয়ে অগ্নি ব্যৱস্থাপনা কৰি থকা অৱস্থাত © ডেইজ এড্‌জ প্ৰডাক্সন্স/ WWF-US

# অগ্ৰণী

এই আচৰণবিধিৰ আৱশ্যকতা দ্বিতীয় বিশ্ব বনৰক্ষী কৰ্মশালাত (International Ranger’s Congress), [চেন যোছ, ক'ষ্টাৰিকা, ১৯৯৭ চন] ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচনে নিৰ্ধাৰিত কৰিছিল যিয়ে বিশ্বৰ বনৰক্ষী খণ্ডক তেওঁলোকৰ কাৰ্যত সহায় কৰিব। আচৰণবিধিৰ বিকাশৰ সময়ত ভবা হোৱা নাছিল যে ইয়াক ব্যৱহাৰ কৰিব পৰা যাব নে নাযাব। চিতৱন (নেপাল) ঘোষনাপত্ৰ (২০১৯), ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচনৰ অনুৰোধৰ ফলস্বৰূপে য়ুনিভাৰ্চেল ৰেঞ্জাৰ ছাপোৰ্ট এলাইন্সৰ [Universal Ranger Support Alliance (URSA)] সদস্যৰ সহযোগত বনৰক্ষীক বৃত্তিগত কৰি তোলাৰ লগতে আৱশ্যকতাৰ অনুৰূপে নতুন বিশ্ব বনৰক্ষী আচৰণবিধিৰ বিকাশৰ বাবে সূচনা কৰে।

"আমি ৬ মাহযোৰা প্ৰক্ৰিয়া, বিশ্বজুৰি বিভিন্ন বনৰক্ষীৰ বহু অৱদানৰ পিছত আসন্ত যে বিশ্ব বনৰক্ষী আচৰণবিধি, যিখন বিভিন্ন বনৰক্ষীৰ দ্বাৰা আন বনকৰ্মীৰ কাৰনে বিকশিত কৰা হৈছে, ইয়াক ৰাষ্ট্ৰীয় আৰু আঞ্চলিক প্ৰসংগত অভিযোযিত কৰা হব। ইয়াৰোপৰি এই আচৰণবিধিয়ে বনৰক্ষীৰ গুৰুত্ব, বিশ্বাস আৰু আস্থা বোৰ স্বতন্ত্ৰ বনৰক্ষী, নিয়োগকৰ্তা বা অৰ্থ প্ৰদানকাৰীক কিছু স্থিৰ নীতিৰ জৰিয়তে আচৰনগত দায়িত্ব বা সঠিক চৰ্চাৰ নিয়ম খিনি নিৰ্দিষ্ট কৰিব। এইখন এখন সজীৱ নথিপত্ৰ হৈ ৰব যি ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচনৰ দ্বাৰা তেওলোকে গ্ৰহন কৰা বিভিন্ন পৰামৰ্শক সংকলন কৰি বাৰ্ষিক পৰ্যালোচনা কৰা হব আৰু ই প্ৰাসংগিক হৈ ৰ'ব।“

### ক্ৰিচ গেলিয়াৰ্চ

সভাপতি, ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচন

**আচৰণবিধিৰ মূল উদ্দেশ্য:**

- সুনাম আৰু বোধগম্যতা গঢ়ি বিভাগক শক্তিশালী কৰি তোলে।
- বনৰক্ষী আৰু এই পেছাৰ সমৰ্থকক পৰিকল্পিত প্ৰণালী প্ৰদান কৰে।
- শ্ৰেষ্ঠতম সিদ্ধান্ত লোৱাত বনৰক্ষী, বনৰক্ষীৰ নিয়োগহৰ্তা আৰু সমভাব্য অনুগামিক সহায় আগ বঢ়ায়।
- আইন বা নিৰ্দেশনা উলংঘন কৰা বনৰক্ষীৰ নিবাৰনৰ বাবে বৰঙণি আৰু গোলকীয় ভাবে গৃহীত উৎকৃষ্ট চৰ্চাৰ ৰূপায়নক অনুমোদন জনাই।

“বনৰক্ষীৰ কাৰণে আচৰণবিধি আৰু বিশ্বব্যাপী বিকশিত আলোচনাচক্ৰৰ ব্যাপক প্ৰক্ৰিয়াক আই ও চি এন ৱৰ্ল্ড কমিচন অন প্ৰোটেক্টেড এৰিয়াই [IUCN World Commission on Protected Areas] আদৰণি জনাইছে। ইয়ে প্ৰতিষ্ঠা কৰা উল্লিখিত মূল্য আৰু উচিত পৰিচালনাৰে বনৰক্ষীক প্ৰকৃতি আৰু মানৱৰ উপকাৰৰ বাবে একগোট কৰি দায়িত্বশীল, দায়বদ্ধ আৰু সন্মানীয় ব্যক্তি বা দলৰ লগতে বিশ্বজুৰি সংৰক্ষণৰ নেতৃত্বত সহায় কৰিব।”

### ড°কেথি মেককিন্নন

অধ্যক্ষ – আই ও চি এন ৱৰ্ল্ড কমিচন অন প্ৰোটেক্টেড এৰিয়াজ



বনৰক্ষীয়ে তহলদাৰীৰ সময়ছোৱাত লোৱা এটি চমু বিৰতি,ডি আৰ চি © ক্ৰিচ গৰ্দন / কনজাৰ্ভেচন এল্ফা

# সংযুক্ত ৰাষ্ট্ৰ মানৱাধিকাৰ উচ্চায়ুক্ত কাৰ্যালয়ৰ বাৰ্তা

সংৰক্ষণৰ দ্বাৰা মানৱাধিকাৰৰ সন্মান আৰু জৈৱবৈচিত্ৰৰ সুৰক্ষা কৰাটো পাৰম্পৰিক শক্তিশালী পথ। যিধৰনে সংৰক্ষণ মানৱাধিকাৰৰ সন্মান অবিহনে সফল হব নোৱাৰে, সেই একেধৰনে মানৱাধিকাৰৰ সম্পূৰ্ণ লাভ প্ৰতিস্থিত জৈৱবৈচিত্ৰৰ সুৰক্ষাত নিৰ্ভৰ কৰে। এই সম্পৰ্কত সংৰক্ষণ কৰ্মী আৰু সম্প্ৰদায়ৰ মাজত ব্যৱধান কমাই বিশ্বাস গঢ়ি তোলাত বনৰক্ষীৰ বিশেষ ভূমিকা আছে। এই প্ৰসংগত, বনৰক্ষীৰ বাবে আচৰনবিধিৰ আৰ্হিৰ বিকাশক আদৰা হৈছে। বনৰক্ষীৰ প্ৰতিষ্ঠাকৰন আৰু পেছাক আচৰনবিধিয়ে সহায় কৰিব। তদুপৰি ইতিপুৰ্বে থকা নীতি নিয়ম উন্নত কৰি বন প্ৰতিষ্ঠানক প্ৰাসংগিক গঠন প্ৰদান কৰিব যিয়ে বনৰক্ষীৰ আচৰনক লৈ মানৱাধিকাৰ সংশ্লিষ্ট অঞ্চলৰ মান আৰু উপযুক্ত পৰিকল্পনা কৰিব। বিশ্ব আৰু ৰাষ্ট্ৰীয় মানৱাধিকাৰ সাধনত বৰ্ণিত থকা দায়িত্ববোৰ প্ৰতিফলিত কৰি এই আচৰনবিধি খন মূল শাখাৰ প্ৰণালী হিচাপে পৰিকল্পনা কৰা হৈছে। বনৰক্ষীৰ কৰ্তব্যকে ধৰি তেওঁলোকৰ মানৱাধিকাৰীক দায়িত্বক কি ধৰনে বাস্তৱায়িত কৰিব, আৰু তাৰেই প্ৰশিক্ষণ প্ৰণালী গঠন কৰাত আচৰনবিধিয়ে সহজ অৰ্থত অৱগত কৰিব। আচৰনবিধিৰ নিৰ্মাণ আৰু গ্ৰহনযোগ্যতা, প্ৰাসংগিকতা আৰু স্থানীয় অধিকাৰ সুনিশ্চিত কৰিবলৈ বনৰক্ষী আৰু তাৰে অংশীদাৰক লৈ কৰা এক পৰামৰ্শ প্ৰক্ৰিয়াৰ অংশ।

আচৰনবিধিৰ গ্ৰহনযোগ্যতাই ইয়াক বনৰক্ষীক বাট দেখুওৱা এক আৱশ্যক প্ৰতিষ্ঠানিক নীতি কৰি নোতোলে। ইয়াৰে লগত এক সম্পূৰ্ণ বিশদ পথনিৰ্দেশনা দিয়া উচিত যত বনৰক্ষীৰ ক্ষমতা প্ৰয়োগ আৰু নীতিবহিৰ্ভুত কাৰ্য কৰা সকলক আটক কৰাত কিছু নিৰ্দিষ্ট ক্ষেত্ৰত বিশেষ আইন প্ৰবৰ্তন শক্তি থাকিব। এই বিষয়ত, এক নিৰ্দিষ্ট মানৰ কাৰ্যকৰী বিধি বিকাশ কৰা প্ৰয়োজন আছে।

এই আচৰনবিধিক মানি চলিবলৈ নিশ্চিত কৰা দৰকাৰ যে ই এক বৃহৎ দায়িত্ববোধৰ পদ্ধতিৰ অংশ য'ত অভ্যন্তৰিক আৰু বাহ্যিক কাৰ্যদৰ্শন আৰু ভাৰসাম্যতা অন্তৰ্ভুক্ত হৈ আছে। এনেধৰনৰ প্ৰণালীয়ে বনৰক্ষীক তেওঁলোকৰ কৰ্তব্য, ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় আইনকে ধৰি বৃত্তি আৰু অখণ্ডতাৰ সৰ্বোচ্চ মানৰ পথ প্ৰদৰ্শনত সহায় কৰিব। আনুস্থানিক দায়িত্ববোধৰ এক জৰুৰী উপাদান এই যে বনকৰ্মীয়ে মানৱাধিকাৰৰ ক্ষেত্ৰত পুৰ্নৰূপে তেওঁলোকৰ কাৰ্যকলাপৰ বাবে দায়িত্বশীল হওঁক। আচৰনবিধি খন এক আভ্যন্তৰীণ অনুশাসন প্ৰণালীৰ লগত সংযুক্ত হব লাগে। কিছুমান পৰিস্থিতিত, আচৰনবিধিৰ উলংঘনে প্ৰতিষ্ঠানৰ আভ্যন্তৰিক নীতিৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় আইনৰো অৱমাননা কৰে, তেনে অৱস্থাত, বন বিভাগে অভিযুক্তক অপৰাধৰ তদন্তৰ বাবে দায়িত্বশীল পদ্ধতিক সহযোগ কৰাতো জৰুৰী।

আচৰনবিধিত উল্লেখ কৰা বনৰক্ষীৰ পেছাদাৰিত্ব আৰু কৰ্মদক্ষতা মূল্যায়ন স্বীকৃত হ'ব লাগে। আচৰনবিধি মৰ্মে অনুবৰ্তিত আৰু আনবোৰ মানৱাধিকাৰৰ কৰ্ম মৰ্য্যদাৰ অগ্ৰগতিৰ চৰ্ত ৰূপে ৰখা উচিত।

মানৱাধিকাৰৰ উচ্চ ভাৰপ্ৰাপ্তৰ কাৰ্যালয় সদায় বনৰক্ষী সকলক মানৱাধিকাৰ ৰক্ষা আৰু সন্মানৰ প্ৰয়োজনীয়তা অৱলম্বন কৰাত উপদেশ দিবলৈ প্ৰস্তুত আছে।

**জোহন ওলহগেন**
মানৱাধিকাৰ বিষয়া
গোলকীয় নীতিসমুহ আৰু নিৰাপত্তাৰক্ষী দল
কৌশল,
মানৱাধিকাৰ উচ্চায়ুক্ত শিক্ষা আৰু প্ৰশিক্ষণ শাখা
কাৰ্যালয়

# বনৰক্ষীৰ সংজ্ঞা

বনৰক্ষীৰ সংজ্ঞাৰ বহু প্ৰতিশব্দ বা সমানাৰ্থক খিতাপ আছে যি বিশ্বব্যাপী ব্যৱহাৰ হৈ আছে যাৰ কিছু চিনাক্ত কৰি "**অতিৰিক্ত উপাধি**" শাখাত উল্লেখ কৰা হৈছে। এই নথিপত্ৰত, "বনৰক্ষী" শব্দটো যিকোনো প্ৰাসংগিক চলন্ত খিতাপ দৰ্শাবলৈ ব্যৱহাৰ কৰা হৈছে।

সংৰক্ষণত বনৰক্ষীৰ এক সুক্ষ্ম তথা সমালোচনামূলক ভূমিকা আছে; তেওঁলোক প্ৰকৃতিৰ নিৰাপত্তা, সাংস্কৃতিক আৰু ঐতিহাসিক ঐতিহ্য, অধিকাৰৰ সুৰক্ষা আৰু বৰ্তমান বা ভবিষ্যতৰ প্ৰজন্মৰ কাৰণে দায়ী। তেখেতসকলে কৰ্তৃপক্ষৰ, সংগঠনৰ তথা সম্প্ৰদায়ৰ প্ৰতিনিধি ৰূপে প্ৰাদেশিক, আঞ্চলিক, সাম্প্ৰদায়িক, দেশীয় বা বেচৰকাৰী আইন আৰু প্ৰতিষ্ঠানিক প্ৰণালীত সংৰক্ষিত বা সুৰক্ষিত অঞ্চল, প্ৰশস্ত ভূমি বা সমুদ্ৰ সৈকতত দীৰ্ঘকালীন সময়লৈ কাম কৰে।বনৰক্ষীয়ে নিবেদিত আৰু জ্ঞানী হোৱা উচিত তথা সৰ্বদা পেছাদাৰ পদ্ধতিত আচৰণ কৰিব লাগে।

**নিম্নলিখিত বনৰক্ষীৰ কৰ্তব্যত অন্তৰ্ভুক্ত কৰা হয়:**

- সংৰক্ষিত বা সুৰক্ষিত অঞ্চলত সংৰক্ষণ , সুৰক্ষা আৰু প্ৰকৃতিক পুনৰুদ্ধাৰ।
- প্ৰাসংগিক আইন প্ৰবৰ্তন, আঞ্চলিক অখণ্ডতা বজাই ৰখা, অনুবৰ্তিতা নিশ্চিত কৰা আৰু দৰ্শনাৰ্থীৰ পৰিচালনা কৰা।
- সম্প্ৰদায় আৰু বন্যপ্ৰাণীৰ বাবে পৰিৱেশ নিৰাপদ, সুৰক্ষিত আৰু স্থিৰ কৰি তোলা
- মুখ্য হিতাধাৰীৰ লগত আস্থা আৰু সন্মানীয় কথোপকথনৰ সম্পৰ্ক বিকাশ কৰি ক্ৰমাগত চলাই নিয়া।
- স্থানীয় লোক তথা সম্প্ৰদায়ক সহযোগ কৰি নিযুক্তি বা ক্ষমতা প্ৰদান কৰা ।
- সাংস্কৃতিক বা ঐতিহাসিক বৈশিষ্ট্যৰে সমাজক শিক্ষিত তথা জাগ্ৰত কৰা ।
- বন্যপ্ৰাণী, আবাস আৰু সাংস্কৃতিক তথা ঐতিহাসিক বৈশিষ্ট্যৰ গুৰুত্ব নিৰিক্ষণ কৰা ।
- পৰিৱেশগত সংকটক পৰিচালনা তথা নিয়ন্ত্ৰণ কৰা, আৰু জৰুৰীকালীন অৱস্থাত সহায় সহযোগিতা প্ৰদান কৰা।







**ছবি** (ওপৰৰ পৰা তললৈ): ক্যামেৰাট্ৰ্যাপ লগাই থকা অৱস্থাত, থাইলেণ্ড © পেন্থেৰা; সামুদ্ৰিক সংৰক্ষিত অঞ্চল টহল কৰি থকা অৱস্থাত , থাইলেণ্ড © পেন্থেৰা; বনৰক্ষীয়ে শ্বেত গড়ৰ চিকিৎসাত সহায় কৰি থকা অৱস্থাত, দক্ষিণ আফ্ৰিকা © ক্ৰিচ গেলিয়াৰ্চ

# বনৰক্ষীৰ আদৰ্শ

**বনৰক্ষীয়ে তেওঁলোকৰ নিজ কৰ্ম আৰু নিজৰ জীৱনত নিম্নলিখিত আদৰ্শখিনি ধৰি ৰখা উচিত:**

বনৰক্ষীয়ে নিজৰ বৃত্তি, পৰিবেশ আৰু প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ জনসাধাৰণৰ বাবে প্ৰেৰণাস্ৰোত আৰু প্ৰতিনিধি ৰূপে কাৰ্য কৰিব লাগিব। তেওঁলোকে নিজৰ বৃত্তিক লৈ গৰ্বিত, উৎসৰ্গীত তথা উৎসাহী হব লাগিব আৰু কৰ্তব্যৰ প্ৰতি সদায় প্ৰস্তুত অথৱা ভাব-বিনিময় কৰা জনসাধাৰণৰ প্ৰতি সহানুভূতিশীল হ'ব লাগিব।

## প্ৰাকৃতিক আৰু সাংস্কৃতিক আদৰ্শ

মানৱ কল্যাণ প্ৰত্যক্ষভাবে প্ৰকৃতিৰ সৈতে জড়িত। বনৰক্ষীয়ে নিজৰ কৰ্মস্থলৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক মানৰ সংৰক্ষণ তথা সুৰক্ষা নিশ্চিত কৰাৰ লগতে আনকো সেইয়া কৰিবলৈ উৎসাহ জগাব লাগে। তেওঁলোকে উপলব্ধি কৰিব লাগিব যে বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰজন্মৰ প্ৰকৃতিক জনা, উপভোগ কৰা তথা ইয়াৰ পৰা উপকৃত হোৱাৰ অধিকাৰ আছে।

## নীতি আৰু দায়িত্ব

বনৰক্ষীয়ে নৈতিক সততা আৰু মানৱাধিকাৰ মানি চলিব লাগে। তেওঁলোক দুৰ্নীতিগ্ৰস্ত নহৈ বা সততা, নিৰপেক্ষতা আৰু সহনশীলতাৰে কাম কৰি যোৱাৰ লগতে পক্ষপাত, অপব্যৱহাৰ, আৰু জনসাধাৰণক আতংকিত বা ব্যতিব্যস্ত কৰিব নোৱাৰিব। বনৰক্ষীয়ে লিংগ, বয়স, ক্ষমতা, অৰ্থ সামাজিক বা জাতিগত অৱস্থা, যৌন স্থিতি-বোধ তথা ধৰ্মীয় আস্থাক আৰু ইয়াৰ অভাৱক সন্মান কৰিব লাগিব। বনৰক্ষীয়ে প্ৰয়োজ্য আইন, বৃত্তিৰ মান আৰু নিৰ্দেশিকা মানি কাম কৰিব লাগিব। তেওঁলোকৰ কৰণীয়ৰ বাবে তেওঁলোক নিজেই দায়ী আৰু কৰ্তব্য সম্পন্ন কৰাত পাৰদৰ্শী।

## শ্ৰেষ্ঠতা

বনৰক্ষীয়ে স্পষ্ট, সক্ৰিয় মনোভাৱ আৰু বন্ধুত্বপুৰ্ণ আচৰণ, শালীনতা, পেছাদাৰিত্ব আৰু দায়িত্বশীলতাৰ প্ৰদৰ্শণ কৰিব লাগে। তেওঁলোক সৎ, সত্যবাদী, বিশ্বাসযোগ্যতা আৰু বিনম্ৰ হোৱাৰ লগতে অখণ্ডতাৰে নিজৰ পদৰ অপব্যৱহাৰ নকৰাকৈ কৰ্ম কৰিব লাগে। বনৰক্ষীয়ে নিজৰ ভুল হলে তাক স্বীকাৰ কৰি শুধৰাব লাগে। সকলো বনৰক্ষীয়েই বিভাগৰ একোজন সন্মানীয় তথা গুৰুত্বপুৰ্ন অংশ।
বনৰক্ষীয়ে বহুমুখী আৰু সক্ষম হোৱাৰ লগতে প্ৰকৃতিৰ সংৰক্ষণৰ বাবে নিজৰ জ্ঞান বা দক্ষতাৰ ব্যৱহাৰ কৰিব লাগে আৰু সৰ্বোচ্চ মানত নিজৰ দায়িত্ব পালন কৰি প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়ক সুৰক্ষা দিব লাগে।

## সহযোগিতা, বিশ্বাসযোগ্যতা আৰু নেতৃত্ব

সন্মিলিত আৰু সহযোগিতাৰে বনৰক্ষীৰ কাম বেছি কাৰ্যকৰী হব। বনৰক্ষী সকল তেওঁলোকৰ সহকৰ্মী আৰু জ্যেষ্ঠ বিষয়া, সংগঠন বা সম্প্ৰদায়ৰ আৰু পৰিবেশৰ প্ৰতি শৃংখল তথা বিশ্বস্ত হ'ব লাগে যদিহে সেইটোৱে তেওঁলোকৰ অখণ্ডতা আপোচ নকৰে বা বিপৰীত প্ৰভাব নেপেলায়।
বন বিভাগে বনৰক্ষীৰ মৰ্যাদা তুলি ধৰি, নেতৃত্বৰ উদাহৰন, সকলোৰে প্ৰতি সমান আচৰন, সমৰ্থন আৰু সাংগঠনিক সাংস্কৃতিৰ প্ৰকৃত মান সৃষ্টি কৰি অনুপ্ৰেৰণা যোগাব লাগে।

## সম্মান

বনৰক্ষীয়ে আইন সমৰ্থন বা প্ৰযোজ্য কৰোঁতে সৰ্বসাধাৰণ, সহকৰ্মী, সম্প্ৰদায়, আন অংশীদাৰৰ লগত সমান আচৰন কৰা উচিত। তেওঁলোকে সঠিক আৰু স্বচ্ছতাৰে যথাযথ ব্যৱস্থা লৈ স্থানীয় লোক আৰু সম্প্ৰদায়ৰ লগত যথোপযুক্ত আৰু ধনাত্মক সম্পৰ্ক বজাই ৰাখিব লাগিব।
বনৰক্ষীয়ে সম্প্ৰদায় আৰু ব্যক্তিগত অধিকাৰ, সংস্কৃতি, ৰীতি, জ্ঞান আৰু জীৱিকাক সমানে চোৱাৰ লগতে জৰুৰী তথ্যক সঠিক দায়িত্ব পালনৰ সময়ত তাৰে আৱশ্যকতা অনুপাতে প্ৰকাশ কৰা উচিত।

## সুৰক্ষা

বনৰক্ষীয়ে অপ্ৰয়োজনীয় বিপদশংকা নোহোৱাকৈ নিজৰ তথা আনৰ সুৰক্ষাৰ বাবে পৰম শ্ৰদ্ধাৰে কাম কৰিব লাগে। তেওঁলোকৰ নিজৰ, সহকৰ্মী আৰু বিভাগৰ সুৰক্ষাৰ বাবে অভিযানিক নিৰাপত্তা অভ্যক্ত ৰখা দৰকাৰ।

## সাহস

বনৰক্ষীয়ে বিপদ, সমালোচনা বা ভাবুকিতকৈ নিজৰ কৰ্তব্যত সাহসী হ'ব লাগে যিয়ে পিছলৈ তেওঁলোকক বিপজ্জনক পৰিস্থিতিৰ পৰা আতঁৰাই ৰাখিব। বনৰক্ষীৰ মান বা আচৰনবিধিক শীৰ্ষ বিষয়া, সহকৰ্মী বা অংশীদাৰৰ কোনো কাৰ্য্যয়ে বিৰোধিতা কৰিলে বনৰক্ষীয়ে যথাযথ ব্যৱস্থা লব লাগে।

# আচৰণ বিধি

**বিঃদ্রঃ:**

এই আচৰনবিধি খন বনৰক্ষীয়ে নিজক বিধি অনুসাৰে পৰিচালনা কৰা প্ৰতিশ্ৰুতিৰ ইংগিত দিবলৈ ভবিষ্যত কালত লিখা হৈছে। এই বিধি বনৰক্ষীৰ শ্ৰেষ্ঠতাক অনুপ্ৰেৰিত কৰা বাবে আৰু কৰ্মীৰ ভূমিকাক লৈ তৈয়াৰ কৰা হৈছে। বিধিৰ সকলো অধ্যায় বনৰক্ষীৰ বাবে প্ৰাসংগিক নহবও পাৰে আৰু সেইমৰ্মে তেওঁলোকে অপ্ৰাসংগিক অধ্যায় খিনি বিধিৰ অভিযোজনা কৰি অপসাৰন কৰিব পাৰে। উদাহৰণ ৰূপে বনৰক্ষীৰ আগ্নেয়াস্ত্ৰ জড়িত নিয়ম উল্লেখ থকা অধ্যায়টো অপসাৰন কৰিব পাৰে কাৰণ সেইয়া বহু কৰ্মকৰ্তাৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

**মই নিম্নলিখিত আচৰণবিধি ৰক্ষা কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ:**

বনৰক্ষী ৰূপে বৰ্তমান তথা ভবিষ্যতৰ প্ৰজন্মৰ বাবে প্ৰকৃতিক সুৰক্ষিত বা সংৰক্ষিত কৰাত আৰু মোৰ কৰ্মক্ষেত্ৰৰ সাংস্কৃতিক ঐতিহ্য বজাই ৰখা এক গুৰুত্বপুৰ্ণ দায়িত্ব আছে। এইয়া মোৰ প্ৰাথমিক ভূমিকা আৰু উদ্দেশ্য। মই প্ৰতিনিধি হিচাপে সদায় বনৰক্ষীৰ মান ৰক্ষা কৰি চলাৰ লগতে বৃত্তিক সন্মান আৰু প্ৰয়োজ্য আইনৰ সমৰ্থন তথা নিৰ্দেশৰ পালন কৰিম।

## পেছাদাৰিত্ব

মই বনৰক্ষী ৰূপে কাৰ্য কৰি গৰ্বিত। মই শীৰ্ষ বিষয়াৰ বৈধ নিৰ্দেশৰ সন্মান আৰু অনুসৰণ কৰিম তথা সযতনে আৰু শ্ৰেষ্ঠ ক্ষমতাৰে কৰ্তব্যৰ পালন কৰিম। মোলৈ অহা দায়িত্ব বা নিৰ্দেশৰ মই জ্ঞাত হোৱাতো নিশ্চিত কৰিম আৰু নিজ জ্ঞানৰ বিকাশ কৰি তাক কৰ্মক্ষেত্ৰত সংলিষ্ট কৰিম। কঠিন অৱস্থাৰ সন্মুখীন হব লগা হলেও মই স্পষ্ট মনোভাৱ ৰাখি নিজ ক্ৰিয়াকলাপৰ দায়িত্ব লম তথা সততা, অখণ্ডতাৰে কাম কৰিম। কৰ্মদলৰ এক সদস্য হিচাপে মই মোৰ সহকৰ্মী, সংগঠন, কৰ্মক্ষেত্ৰৰ পৰিবেশ আৰু সম্প্ৰদায়ৰ প্ৰতি কৰ্তব্যনিষ্ঠ হম। মই জ্ঞাত যে মোৰ কোনো অপেছাদাৰী পৰিচালনায়ে মোৰ সহকৰ্মী বা বিভাগলৈ সুৰক্ষা তথা আইনী বিপদ কঢ়িয়ায় আনিব পাৰে। মই পেছাদাৰ বা শ্ৰদ্ধাশীল ভাবে আচৰণ কৰিম তথা সংস্কৃতি, প্ৰথা, অধিকাৰ, জীৱিকা বা জ্ঞানৰ সন্মান কৰি সম্প্ৰদায়ৰ সৈতে শান্তিপুৰ্ণ আৰু ধনাত্মক সম্পৰ্ক বজাই ৰাখিম। মই সকলো অংশীদাৰ তথা সহকৰ্মীৰ সৈতে স্পষ্ট, মুক্ত আৰু কাৰ্যকৰী মত-বিনিময়েৰে সম্পৰ্ক আৰু বিশ্বাসযোগ্যতাৰে যথাযথ কৰ্ম কৰিম। মই সংগঠনৰ নিয়মিত বিধি মানি চলিম আৰু সাংগঠনিক পুঁজি বা সম্পদৰ উচিত ব্যৱহাৰ কৰিম।

## মানৱাধিকাৰ আৰু মৰ্যাদা

সংযুক্ত ৰাষ্ট্ৰসংঘৰ সৰ্বৰাষ্ট্ৰীয় মানৱাধিকাৰ ঘোষণাপত্ৰত উল্লেখিত মৰ্মে মানৱাধিকাৰ মানি মই মানৱীয় মৰ্যাদাৰে সকলোকে সন্মান কৰিম আৰু স্বজনতোষণ নকৰি নিৰপেক্ষ থাকি জনসাধাৰণৰ অধিকাৰক সমৰ্থন জনাম বা শাৰীৰিক তথা মানসিক ভাবে যিকোনো পৰিস্থিতিত মানুহক অপব্যৱহাৰ বা উৎপীড়ন নকৰোঁ। মই লিংগ, বয়স, ক্ষমতা, জাতি, আৰ্থ-সামাজিক বা জাতিগত অৱস্থা, যৌন স্থিতিবোধ আৰু ধৰ্মীয় বিশ্বাসৰ লগতে ইয়াৰ অভাৱৰো সন্মান কৰিম।
মানৱাধিকাৰ উলংঘন বা অবমাননা কৰা কাৰ্য্যক মই কেতিয়াও সমৰ্থন নকৰোঁ আৰু প্ৰাসংগিক কৰ্তৃপক্ষক তেনে ক্ৰিয়াৰ সূচনা দিম।

## সততা আৰু স্বচ্ছতা

মোৰ কৰ্মৰ লগত কোনো ব্যক্তি, সম্প্ৰদায় বা অন্য স্বাৰ্থত জড়িত সংঘৰ্ষৰ পৰা নিজকে দূৰত ৰাখিম তথা তেনে কাৰ্যত জড়িত সকলক কৰ্তৃপক্ষৰ সন্মুখত উদঙাই দিম। মোৰ ভূমিকাক আপোচ কৰা যিকোনো সুবিধা, পক্ষপাত বা অন্য কাৰ্যৰ পৰা মই দূৰত থাকিম আৰু অবৈধ কাৰ্যকলাপৰ জাননী প্ৰাসংগিক কৰ্তৃপক্ষক দিম।

## আইনী বৈধতা

মই নিজকে আইন আৰু নিয়ম- নীতিৰ লগত পৰিচিত কৰিম আৰু মোৰ কাম বা পৰিচালনাত সেইয়া মানি চলিম। মোৰ ক্ষমতা অনুসাৰে মই আইন আৰু নিয়মৰ উলংঘনৰ প্ৰতিৰোধ কৰিম তথা প্ৰতিস্থিত পদ্ধতি, মোৰ ক্ষমতা বা দায়িত্ব অনুসাৰে তাক সম্বোধন কৰিম। মই কেৱল আইনসন্মত নিৰ্দেশাৱলীৰ হে পালন কৰিম।

## গোপনীয়তা

মই গোপন তথ্য সম্পৰ্কীয় সকলো নিৰ্দেশৰ অনুসৰণ কৰিম যদিহে মোৰ কৰ্তব্যত সেইটোৰ কঠোৰভাবে চাহিদা নিবিচাৰে। সেই তথ্য কোনো অবৈধ বা ব্যক্তিৰ আগত প্ৰকাশ কৰা নহব।

## নিৰাপত্তা

মোৰ ক্ষমতা অনুসাৰে মই সহকৰ্মী, পৰিবেশ, স্বদেশী ব্যক্তি আৰু স্থানীয় সম্প্ৰদায়ৰ লগতে নিজৰ সুৰক্ষা নিশ্চিত কৰিবলৈ শ্ৰেষ্ঠতম প্ৰয়াস কৰিম। মই মোৰ দায়িত্ব শাৰীৰিক আৰু মানসিকভাবে সুস্থ হৈ চলাই নিয়াৰ চেষ্টা কৰিম, কৰ্তব্যকালত অবৈধ বা নিচাযুক্ত পদাৰ্থৰ বা দ্ৰব্যৰ ব্যৱহাৰ পৰিহাৰ কৰিম।

**বনৰক্ষী আৰু আইন প্ৰবৰ্তনৰ ভুমিকা-দৰকাৰ সহকাৰে অন্তৰ্ভুক্ত- নিম্নলিখিত কেৱল পথ প্ৰদৰ্শনৰ বাবে:**

বনৰক্ষীয়ে কোনো দেশত ব্যস্ততাৰে পৰিচালনা কৰিবলৈ সংযুক্ত ৰাষ্ট্ৰৰ মূল নীতি, জাতীয় আইন আৰু সাংগঠনিক নিয়ম সদায় মানি চলিব লাগিব।

## এই আচৰণবিধি উলংঘনৰ প্ৰত্যুত্তৰ

মোৰ সহকৰ্মী বা বিভাগৰ আন কৰ্মীৰ ব্যৱহাৰে যদি আচৰনবিধিৰ বিৰোধীতা কৰে , তাৰ বাবে মই প্ৰতিষ্ঠিত পদ্ধতি মানি প্ৰতিবেদন অথৱা আক্ষেপ আগ বঢ়াম। মোৰ কাৰ্যকলাপ যদি প্ৰতিষ্ঠিত মানৰ পৰা নিম্নমানলৈ যায়, তেতিয়া সহকৰ্মীৰ পৰা ও একেইখিনি নিয়ম মানি চলাতো আশা কৰিম।

## শক্তিৰ ব্যৱহাৰ

যোগাযোগ স্থাপন আৰু সক্ৰিয় ভাবে আইন তথা প্ৰবিধানৰ উলংঘনকাৰীৰ আচৰন সলনি কৰাতো মোৰ প্ৰাথমিক লক্ষ। মই কেৱল শেষ বিকল্প ৰূপে হে কৰ্মবলৰ প্ৰয়োগ কৰিম আৰু কোনো পৰিস্থিতিক সুৰক্ষিত কৰিবলৈ এই কৰ্মবলৰ নুন্যতম মানত প্ৰয়োজনীয় হব আৰু সংকট অনুপাতে আইনৰ গণ্ডিত থাকি নিজৰ দায়িত্ব পালন কৰিম।

## ব্যক্তিৰ সুৰক্ষা

মোৰ জিম্মাত থকা ব্যক্তিৰ অধিকাৰ আৰু কল্যাণ মই সুনিশ্চিত কৰিম। মই নিৰ্বিচাৰে কোনো ব্যক্তিক আটক বা নিৰ্যাতন নকৰো তথা কঠোৰ বা অমানৱীয় আচৰন সহ্য নকৰোঁ।

## আগ্নেয়াস্ত্ৰ

মই আগ্নেয়াস্ত্ৰ জড়িত সকলো আইন পদ্ধতিৰ জ্ঞান থকা তথা সন্মান ৰখাতো নিশ্চিত কৰিম আৰু মোলৈ ন্যস্ত কৰা অস্ত্ৰৰ বাবে মই অনুমোদিত হম বা সীমাবদ্ধভাবে আচৰন কৰিম। মই অস্ত্ৰৰ নিৰাপদ ৰক্ষনাবেক্ষণ বা ব্যৱহাৰক লৈ প্ৰশিক্ষিত হম আৰু সেইয়া সুৰক্ষিত ঠাইত থকাতো নিশ্চিত কৰিম। মই কেৱল বন্যপ্ৰাণী ব্যৱস্থাপনা বা নিয়ন্ত্ৰন, আত্মৰক্ষা বা মৃত্যুৰ তথা গুৰুতৰ আঘাতৰ সন্মুখীন হোৱা ব্যক্তিৰ ৰক্ষাৰ বাবে হে অস্ত্ৰৰ প্ৰয়োগ কৰিম। কোনো ব্যক্তিৰ অনিবাৰ্য পৰিস্থিতিত হে জীৱনৰ সুৰক্ষাৰ বাবে মই নিম্ন প্ৰাণনাশক শক্তি বা অস্ত্ৰৰ ব্যৱহাৰ কৰিম। অস্ত্ৰ সন্মিলিত কাৰ্যৰ বাবে মই নিজেই দায়ী আৰু কৰ্মবল প্ৰয়োগৰ আগত নিম্ন প্ৰাণঘাতক বিকল্পৰ বিবেচনা কৰিম।

## প্ৰসঙ্গ

কোনো পৰিচালনাৰ পদ্ধতি বা ব্যৱস্থাপনাৰ নিয়ম অবিহনে কৰ্ম কৰা বনৰক্ষীক প্ৰসংগক্ৰমে সংযুক্ত ৰাষ্ট্ৰসংঘৰ বল আৰু অস্ত্ৰৰ লগতে গোলাবাৰুদৰ ব্যৱহাৰৰ নীতি আমি উল্লেখ কৰিছোঁ:

**https://www.ohchr.org/en/professionalinterest/pages/useofforceandfirearms.aspx**

**https://www.ohchr.org/Documents/HRBodies/CCPR/LLW_Guidance.pdf**

আৰু সংযুক্ত ৰাষ্ট্ৰসংঘৰ সৰ্বৰাষ্ট্ৰীয় মানৱাধিকাৰৰ উল্লেখিত আইন প্ৰৱৰ্তনৰ মান:

**https://www.ohchr.org/Documents/Publications/training5Add1en.pdf**

# পৰিশিষ্ট: পৰিভাষা

বনৰক্ষী শব্দটোৰ একেই অৰ্থৰ কিছু অন্যান্য বিশ্বব্যপীক শীৰ্ষক আমি চিনাক্ত কৰিছোঁ আৰু নিম্নলিখিত তাৰেই কেইটামান অনা- অসমীয়া উদাহৰণ:

পৰামৰ্শ থাকিলে, যোগাযোগ কৰক: **president@internationalrangers.org**

## অন্যান্য সাধাৰণ শীৰ্ষক:

ক্ষেত্ৰ ক্ৰীড়া ৰক্ষক; সাম্প্ৰদায়িক বনৰক্ষী; ক্ষেত্ৰ স্কাউট; ক্ষেত্ৰ বন্যপ্ৰাণী স্কাউট; সংৰক্ষণ বনৰক্ষী; সংৰক্ষণ বিষয়া; পৰিৱেশ বিষয়া; পৰিৱেশগত ৰক্ষক; ক্ষেত্ৰ বিষয়া; ক্ষেত্ৰ বনৰক্ষী; বন ৰক্ষক; বনৰক্ষী; বনকৰ্মী; বনানিকৰণ বিষয়া; ক্ৰীড়া বনৰক্ষী; ক্ৰীড়া স্কাউট; সামুদ্ৰিক উদ্যান বনৰক্ষী; সামুদ্ৰিক বনৰক্ষী; ৰাষ্ট্ৰীয় উদ্যান ৰক্ষক; ৰাষ্ট্ৰীয় উদ্যানৰ বনৰক্ষী; প্ৰকৃতি সংৰক্ষক; উদ্যান ৰক্ষক; উদ্যান বনৰক্ষী; বনৰক্ষী; বন বিষয়া; স্কাউট; গ্ৰাম্য স্কাউট; প্ৰহৰী; বন ৰক্ষক; বন্যপ্ৰাণী বিষয়া; বন্যপ্ৰাণী ৰক্ষক; বন্যপ্ৰাণী স্কাউট।

## অন্য ভাষাৰ শীৰ্ষকৰ উদাহৰণ:

| | |
|---|---|
| বাহাচা: | Pemantau Hijau; Pengendali Ekosistem Hutan; Polisi Hutan; Polisi Kehutanan. |
| চেক ৰিপাব্লিক: | Strážce Přírody. |
| ফ্ৰান্স: | Ecogarde; Forest Ecogarde. |
| জাৰ্মান: | Naturwacht; Parkwächter; Reservatsaufseher; Schutzgebietsbetreuer; Waldmeister; Wildhüter. |
| হিন্দী: | महावत. |
| ইটালীয়ান: | Guardia Forestale. |
| মালয়: | Pengawal Keselamatan Hidupan Liar; Pengawal Keselamatan Hutan; Peronda Hutan. |
| ফিলিপাইন: | Bantay Gubat; Bantay Dagat; Bantay Kalikasan. |
| পৰ্তুগীজ: | Vigilante da Natureza. |
| শ্লোভাক ৰিপাব্লিক: | Strážca Prírody. |
| স্পেনিছ: | Agente Medioambiental; Guardabosque; Guardafauna; Guardambientes; Guardaparamos; Guardaparque; Guardarecursos; Guardian del Ambiente; Guardianes de la Naturaleza; Vigilantes. |
| স্বাহিলি: | Askari. |
| ভিয়েটনামিছ: | Kiểm lâm. |

# অতিৰিক্ত উপাধি:

উপদেষ্টা; প্ৰতিনিধি; কৃষিবিদ; বিশ্লেষক; বন্যপ্ৰাণী সংৰক্ষণ বিষয়া; বন্যপ্ৰাণী অনুসৰণকাৰী; অঞ্চল প্ৰধান বনৰক্ষী; খণ্ড প্ৰহৰী; খণ্ড বিষয়া; জৈৱবৈচিত্ৰ্য ৰক্ষক; নাৱৰীয়া; সাম্প্ৰদায়িক সংযুক্তি বনৰক্ষী; সাম্প্ৰদায়িক ৰক্ষক; প্ৰতিষ্ঠান অধিনায়ক; সংৰক্ষণ প্ৰতিনিধি; সংৰক্ষণ সহায়ক; পৰিষদ বনৰক্ষী; গ্ৰাম্যক্ষেত্ৰ বনৰক্ষী; তত্ত্বাবধায়ক; পৰিবেশ - সঞ্চালক; হস্তী সঞ্চালক; প্ৰবৰ্তন বনৰক্ষী; পৰিবেশ পৰিদৰ্শক; পৰিবেশ বনৰক্ষী; পৰিবেশগত অভিকৰ্তা; পৰিবেশগত অনুপালন বিষয়া; দলপতি (পৰিবেশ); পৰিবেশ চালক; পৰিবেশ সংৰক্ষণ অভিকৰ্তা; পৰিবেশ সুৰক্ষক; বিস্তাৰবাদী উদ্যান বনৰক্ষী; ক্ষেত্ৰ সেৱা বিষয়া; ক্ষেত্ৰ পৰ্যবেক্ষক; ক্ষেত্ৰ কাৰিকৰ; অগ্নি ব্যৱস্থাপনা বিষয়া; অগ্নি নিৰ্বাপক বাহিনী; অগ্নি পৰ্যবেক্ষক; বন সংৰক্ষণ বিষয়া; বন পৰিস্থিতিতন্ত্ৰ কাৰিকৰ; বন পৰিচালক; বন বিষয়া; বন টহলদাতা; বন খণ্ড বিষয়া; বন প্ৰহৰী; বন পৰ্যবেক্ষক; বনানিকৰণ অভিকৰ্তা; বনানিকৰণ কাৰিকৰ; সীমাৱৰ্তী কৰ্মী; ক্ৰীড়া বিষয়া; ক্ৰীড়া পৰ্যবেক্ষক; চিকাৰভূমিৰ ৰক্ষক; ৰক্ষক; ৰক্ষক উপদেষ্টা; অবৈতনিক প্ৰহৰী; স্বদেশী মাটি বনৰক্ষী; স্বদেশী সমুদ্ৰ ৰক্ষক; পৰিদৰ্শক; ব্যাখ্যাত্মক বনৰক্ষী; ভূ-বনৰক্ষী; স্থানীয় বনৰক্ষী; প্ৰাকৃতিক পৰিবেশ অভিকৰ্তা; প্ৰাকৃতিক প্ৰতিনিধি; প্ৰাকৃতিক ৰক্ষক; প্ৰাকৃতিক উদ্যান বনৰক্ষী; অবৈতনিক জল আৰু বন বিষয়া; উদ্যান ভাষান্তৰিত; উদ্যান প্ৰকৃতিবিদ; উদ্যান আৰু বন্যপ্ৰাণী সহকাৰী; উদ্যান আৰু বন্যপ্ৰাণী বিষয়া; টহলদাতা; ছাউনী সেনাধ্যক্ষ; স্বত্বাধিকাৰী; সংৰক্ষিত অঞ্চল; জাতীয় আৰক্ষী সংৰক্ষণবিদ; ৰেডিঅ' পৰিচালক; অঞ্চল সংৰক্ষক;; অঞ্চল ভাৰপ্ৰাপ্ত; বনাঞ্চলিক বিষয়া; বনৰক্ষী সৈনিক; ভাৰপ্ৰাপ্ত বনৰক্ষী; প্ৰকৃতিবিদ বনৰক্ষী; বনৰক্ষী হাবিলদাৰ; বনৰক্ষী দলপতি; গবেষক; সংৰক্ষিত অঞ্চল ৰক্ষক; সাধন ব্যৱস্থাপনা বিশেষজ্ঞ; সাধন ৰক্ষক; গ্ৰামীণ অভিকৰ্তা; সমুদ্ৰ ৰক্ষক; খণ্ড বনৰক্ষী; সুৰক্ষা আৰু নিৰীক্ষণ অভিকৰ্তা; জ্যেষ্ঠ ক্ষেত্ৰ পৰ্যবেক্ষক; জ্যেষ্ঠ বনৰক্ষী; ৰাজ্যিক পৰিদৰ্শক; পৰ্যবেক্ষক; সহযোগী উদ্যান বনৰক্ষী; কাৰিকৰী সহযোগী; কাৰিকৰ; গতিপথক; স্ব-ইচ্ছুক উদ্যান বনৰক্ষী; পৰ্যবেক্ষক; প্ৰহৰী; বন্যপ্ৰাণী সংৰক্ষক; বন্যপ্ৰাণী পালক; বন্যপ্ৰাণী নিৰীক্ষক; বন্যপ্ৰাণী টহলদাতা; বন্যপ্ৰাণী আৰক্ষী বিষয়া; বন্যপ্ৰাণী গবেষক; বন্যপ্ৰাণী পৰ্যবেক্ষক।




ইউ এচ পাৰ্ক বনৰক্ষী আৰু ফেঁচা (screech owl), ইউ এচ এ © ৰিছাৰ্ড চিগ্নিন্চ

প্ৰচ্ছদ ছবি ( দক্ষিণাবৰ্তে ওপৰৰ পৰা ): বনৰক্ষী স্মাৰ্ট (SMART) প্ৰশিক্ষণৰ সময়ত, ফিলিপাইন্স © জেম্‌চ শ্লেদ / GWC; প'ন্টা দো অওৱোৰ আংশিক জল সঞ্চিয়িতত জল সংৰক্ষণকাৰী, মোজাম্বিক © পিচ পাৰ্কচ ফাওণ্ডেচন; কোপো ৰাষ্ট্ৰীয় উদ্যানত বনৰক্ষী, আৰ্জেন্টিনা © যেচন হাওস্টন / বিশ্ব প্ৰাকৃতিক পুঁজি- সংযুক্ত ৰাষ্ট্ৰ (WWF-US); চিকাৰ- বিৰোধী বনৰক্ষী, কেমেৰূন © এডম স্মিথ/ZSL; নতুন মেংগ্ৰ'ভৰ বৃদ্ধিৰ নিৰীক্ষণ, ইণ্ডোনেচিয়া© জেম্‌চ শ্লেদ / GWC | বিজয়িনী শৰ্মা: bijoyineesarma@gmail.com (Bijoyinee Sarma)

## বনৰক্ষী আচৰণ বিধি বিকাশৰ জৰিয়তে: ইণ্টাৰনেচনেল ৰেঞ্জাৰ ফেডাৰেচনৰ লগত সহযোগিতাৰে:

UNIVERSAL RANGER SUPPORT ALLIANCE
ursa4rangers.org

internationalrangers.org

globalwildlife.org

panda.org

fauna-flora.org

iucn.org/commissions/ world-commission-protected-areas

zsl.org

panthera.org

forcefornature.org